# পাতনি

অসমৰ ধৰ্ম, সংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰখনৰ সৰ্বাধিক চৰ্চিত ব্যক্তিগৰাকীয়েই হ'ল শঙ্কৰদেৱ। শঙ্কৰদেৱৰ অভ্ৰভেদী ব্যক্তিত্বই সমাজৰ সকলোস্তৰৰ লোকৰে মনোযোগ আকৰ্ষণ কৰি আহিছে। যোৱা ছশ বছৰ ধৰি অসমত বাস কৰা সকলো লোকৰ মুখত, শঙ্কৰদেৱৰ নাম সচেতন বা অসচেতনভাৱে হ'লেও উচ্চাৰিত হৈ আহিছে। মাজুলীৰ সাংস্কৃতিক পৰিমণ্ডলত ডাঙৰ-দীঘল হৈ শঙ্কৰদেৱৰ প্ৰতি সৰুৰে পৰা আকৃষ্ট হৈ পৰিছিলো। সেয়ে পৰৱৰ্তী বিদ্যায়তনিক চৰ্চাৰ বিষয় হিচাপেও শঙ্কৰদেৱক নিৰ্বাচন কৰিছিলো। শঙ্কৰদেৱৰ সাহিত্যৰ বহুদিশদৰ্শী অধ্যয়ন পৰিলক্ষিত হ'লেও নতুন তথ্য আৰু যুক্তিৰ আধাৰত বিষয়ৰ পুনঃ পুনঃ অধ্যয়নে শঙ্কৰদেৱৰ সাহিত্যৰ নতুন দিশ উন্মোচনৰ সম্ভাৱনীয়তাক লক্ষ্য ৰাখি গৱেষণা কৰ্মত অগ্ৰসৰ হৈছিলো।

**নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ** - শীৰ্ষক বিষয়ৰ গৱেষণা কৰ্মটি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° কৰবী ডেকা হাজৰিকা বাইদেউৰ তত্ত্বাৱধানত সম্পাদন কৰা হৈছে। গৱেষণা কৰ্মৰ প্ৰতিটো পদক্ষেপতে বাইদেউৰ দিহা-পৰামৰ্শ তথা ভূমিকাৰ বাবে কৃতজ্ঞতা জনালোঁ। বাইদেৱে কৰি দিয়া প্ৰতিটো সংযোজন তথা সংশোধনেই বিদ্যায়তনিক যাত্ৰা অব্যাহত ৰখাত উৎসাহ যোগাইছিল। উপাচাৰ্য মহোদয়ে গৱেষণাৰ পদ্ধতিগত অধ্যয়নৰ প্ৰসঙ্গত আৰু ড° প্ৰদীপ হাজৰিকা ছাৰে প্ৰথমফালে আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞ হৈ ৰ'লো। ইয়াৰ বাহিৰেও মোৰ কৰ্মস্থলী দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ পৰিয়ালক কৃতজ্ঞতাৰে সুঁৱৰিছো আৰু যিসকলে নিজৰ গৱেষণাগ্ৰন্থ পৰ্যন্ত দি মোক দিহা-পৰামৰ্শ দিছিল, তেওঁলোকৰ ওচৰতো কৃতজ্ঞ হৈ ৰ'লো।

মোৰ বিদ্যায়তনিক যাত্ৰা অব্যাহত ৰাখিবলৈ বাধ্য কৰোৱা মোৰ মা-দেউতা-সোণটো, বিদ্যানুৰাগী শহুৰ-শাহু, সহযাত্ৰী-সহযোগীজন, সোণজনী-সোণতৰা, মইনা আৰু সবিতা; জুৰী, পপী, মীনাক্ষি আৰু সকলো শুভাকাংক্ষীৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

মৌচুমী বৰুৱা

( মৌচুমী বৰুৱা )